**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-----------------------

১। G-7 শীর্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গ্ল'বেল ছাউথ ৰাষ্ট্ৰসমূহৰ সৈতে জড়িত বিষয়সমূহক অগ্ৰাধিকাৰ দিবলৈ আহ্বান।

২। ৰাজ্য চৰকাৰৰ উদ্যোগত ডিব্ৰুগড়ত স্থাপন হ'ব ক্ষুদ্ৰ সচিবালয়। ১৫ আগষ্টৰ ভিতৰত কাম-কাজ সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ।

৩। ২০৩০ বৰ্ষৰ ভিতৰত ৰাজ্যত ৩ হাজাৰ মেগাৱাট সৌৰশক্তি উৎপাদন হ'ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৪। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে অহা ৩০ ছেপ্তেম্বৰলৈ নামভৰ্তি বাতিল হোৱা শিক্ষাৰ্থীৰ ধন ঘূৰাই দিব লাগিব বুলি বিশ্ববিদ্যালয় অনুদান আয়োগৰ ঘোষণা।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ল'বেল ছাউথ অৰ্থাৎ অনুন্নত ৰাষ্ট্ৰ বিশেষকৈ আফ্ৰিকাৰ সৈতে জড়িত বিষয়সমূহক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে। ইটালীৰ অপুলিয়াত অনুষ্ঠিত G-7 শীৰ্ষ সন্মিলনত ভাষণ দি শ্ৰীমোদীয়ে কালি এইদৰে আহ্বান জনায়। তেওঁ কয় যে, ভাৰতৰ অধ্যক্ষতাত আফ্ৰিকীয় সংঘক G-20 ৰাষ্ট্ৰ গোষ্ঠীৰ স্থায়ী সদস্য পদ প্ৰদান কৰাটো দেশৰ বাবে গৌৰৱৰ কথা। শ্ৰীমোদীয়ে কয় যে, ভাৰতে ২০৭০ বৰ্ষলৈকে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। ভাৰতৰ মিছন লাইফৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে তেওঁ আৰম্ভ কৰা প্লাণ্ট ফ'ৰ মাডাৰ অৰ্থাৎ এজোপা গছ মাৰ নামত শীৰ্ষক অভিযানত অংশগ্ৰহণ কৰিবলৈ গোলকীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে এই অভিযানক গণ আন্দোলণত পৰিণত কৰিবলৈও আহ্বান জনায়।

ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা অভিযান সন্দৰ্ভত মতপ্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, সকলোৰে প্ৰগতি আৰু কল্যাণ ত্বৰান্বিত কৰাই এই প্ৰযুক্তিৰ মূল লক্ষ্য হোৱা উচিত। তেওঁ কয় যে, ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় জোঁটৰ প্ৰতিষ্ঠাপক সদস্য হিচাপে আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰসাৰৰ হকে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে G-7 ৰাষ্ট্ৰগোষ্ঠীক ইয়াৰ ৫০ সংখ্যক বাৰ্ষিকীৰ অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে, এই সন্মিলনত অংশগ্ৰহণ কৰাটো তেওঁৰ বাবে সন্তুষ্টিৰ বিষয়। শ্ৰীমোদীয়ে লগতে কয় যে, মানৱীয় দৃষ্টিভংগী আধাৰিত প্ৰযুক্তিহে সফল হয়। তেওঁ লগতে ৰাজহুৱা সেৱা প্ৰদানৰ বাবে ডিজিটীয় প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতৰ সফলতাৰ বিষয়ে আলোচনা কৰে। ইয়াৰ পূৰ্বে সন্মিলনৰ অধ্যক্ষ ৰাষ্ট্ৰ ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেলনিয়ে কয় যে, পশ্চিমীয়া দেশসমূহক বাকী অংশৰ পৰা পৃথক কৰিব খোজা ব্যাখ্যা কোনো কাৰণতে স্বীকাৰ্য নহয়। তেওঁ কয় যে, ৰাষ্ট্ৰসমূহৰ পাৰস্পৰিক সহযোগিতাৰেহে গোলকীয় প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'ব পৰা

যায়। সন্মিলৰ আউট্ৰিছ সত্ৰ বৰ্তমান সময়ৰ আটাইতকৈ প্ৰাসংগিক প্ৰত্যাহ্বান  বিষয়ক আলোচনাৰ নামত উৎসৰ্গিত। ইয়াৰ ভিতৰত কৃত্ৰিম বুদ্ধিমত্তা, শক্তি, আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলৰ সৈতে জড়িত বিভিন্ন বিষয় অন্যতম।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া ক্ষুদ্ৰ সচিবালয়ৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। এই সন্দৰ্ভত আয়োজিত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি তেওঁ কয় যে, প্ৰশাসনিক ব্যৱস্থাটোক ৰাজ্যৰ জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে অব্যাহত ৰখা প্ৰয়াসৰ অংশ হিচাপে এই ক্ষুদ্ৰ সচিবালয় স্থাপন কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক অহা ১৫ আগষ্টৰ ভিতৰত ইয়াৰ কাম-কাজ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি আদিকে ধৰি উজনি অসমৰ জিলাসমূহ কাম-কাজসমূহ সুচাৰুৰূপে সম্পাদন কৰাৰ উদ্দেশ্যে এই পদক্ষেপ হাতত লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ সমান্তৰালকৈ ক্ষুদ্ৰ সচিবালয়ৰ কাম কামসমূহ পৰিচালনা কৰা হ'ব।

০০০০০০

নামৰূপত কালি ২৫ মেগাৱাট সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি  ড০ হিমন্ত বিশ্ব শৰ্মাই ২০৩০ বৰ্ষৰ ভিতৰত ৰাজ্যত ৩ হাজাৰ মেগাৱাট সৌৰশক্তি উৎপাদন সম্ভৱ হ'ব বুলি আশা প্ৰকাশ কৰে। লগতে তেওঁ কয় যে, অসম দেশৰ ভিতৰত এখন সৌৰশক্তি উৎপাদনকাৰী অগ্ৰণী ৰাজ্যলৈ ৰূপান্তৰিত হোৱাৰ দিশে আগবাঢ়িছে। সৌৰশক্তি উৎপাদনৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আটাইবোৰ প্ৰচেষ্টা সফল হ'লে ৰাজ্যখনে ৩ হাজাৰ ৬৪৫ মেগাৱাট সৌৰশক্তি উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। কালি আধাৰশিলা স্থাপন হোৱা নামৰূপৰ ২৫ মেগাৱাট ক্ষমতা সম্পন্ন সৌৰশক্তি প্ৰকল্পটো নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ লগতে অইল ইণ্ডিয়া লিমিটেডে সমপৰিমাণৰ পুঁজি ব্যয় কৰিব বুলিও মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে। লগতে তেওঁ কয় যে, বৰ্তমান ৰাজ্যত ৭টাকৈ সৌৰশক্তি প্ৰকল্প স্থাপন কৰা হৈছে। শিৱসাগৰ জিলাৰ আমগুৰি, ওদালগুৰি, কামৰূপ জিলাৰ বকো, কাছাৰ জিলাৰ শিলচৰ, নগাঁও জিলাৰ চামগুৰিত স্থাপন কৰা এই প্ৰকল্পসমূহৰ জৰিয়ে ৰাজ্যত ১৭৫ মেগাৱাট সৌৰশক্তি উৎপাদন কৰি থকা হৈছে। শোণিতপুৰ জিলাৰ বৰচলা আৰু ধুবুৰী জিলাৰ খুদিগাঁও প্ৰকল্প স্থাপনৰ প্ৰক্ৰিয়া অব্যাহত থকাৰ লগতে কিছুদিনৰ ভিতৰতেই কাৰ্বি আংলঙত এহেজাৰ মেগাৱাট সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব। আনহাতে ১২০ মেগাৱাট ক্ষমতাসম্পন্ন নামনি-কপিলী জলবিদ্যুৎ প্ৰকল্পটোত সৌৰশক্তি উৎপাদন হ'ব। এই প্ৰকল্পসমূহৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত ৰাজ্যত প্ৰায় ৩ হাজাৰ মেগাৱাট সৌৰশক্তি উৎপাদন কৰিব পৰা যাব বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী  ড০ শৰ্মাই প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিখনৰ বিষয়ে ইতিবাচক দিশসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণৰ উদ্দেশ্যে ইতিমধ্যে কাম-কাজ আৰম্ভ কৰিছে। তেওঁ এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই আঁচনিৰ অধীনত যুৱক-যুৱতীসককলক ১ লাখ টকাৰ ঋণ তথা ১ লাখ টকাৰ ৰাজসাহায্য প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰে। ড০ শৰ্মাই কয় যে, এইবাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰা যুৱতীসকলক ১০ হাজাৰ, চাৰে ১২ হাজাৰ আৰু ২৫ হাজাৰ টকাকৈ বৃত্তি প্ৰদান কৰা হ'ব। এই ধন তেওঁলোকৰ বেংক একাউণ্টত মাহিলী কিস্তি হিচাপে প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ পূৰ্বে দিয়া সকলো প্ৰতিশ্ৰুতি পালন কৰা হ'ব বুলি তেওঁ জনসাধাৰণক আশ্বাস দিয়ে।

ড০ শৰ্মাই লগতে যিসকল মহিলাই এতিয়ালৈকে অৰুণোদয় আঁচনি লাভ কৰা নাই সেই সম্পৰ্কেও আলাপ-আলোচনা অব্যাহত আছে বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি লাখপতি বাইদেউ আঁচনিৰ অধীনত প্ৰ-পত্ৰ পুনৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে মাইক্ৰ'ফাইনেন্স ঋণ ৰেহাই আঁচনিৰ অধীনত যিসকল মহিলাই ৫০ হাজাৰ টকা পৰ্যন্ত ঋণ লৈছিল অহা ছেপ্তেম্বৰ মাহত তেওঁলোকৰ সেই ঋণ বেংকক ঘূৰাই দি এন-অ'-চি প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে অহা ২১ জুনত কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত নেহৰু ষ্টেডিয়ামত জিলা পৰ্যায়ত যোগ দিৱসৰ আয়োজন কৰা হৈছে। এই যোগ দিৱসত ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই অংশগ্ৰহণ কৰিব। যোগ দিৱসৰ প্ৰস্তুতিক লৈ কালি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্ত ত্ৰিদিব কোঁৱৰৰ সভাপতিত্বত এখন আলোচনা সভা অনুষ্ঠিত হয়। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে যোগ দিৱসৰ দিনা জিলা পৰ্যায়ত যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ কথা প্ৰকাশ কৰে। মুঠ ৪টা শাখাত ক্ৰমে ১০ বছৰ তলৰ, ১০ৰ পৰা ১৮ বছৰলৈ, ১৮ৰ পৰা ৩৫ বছৰলৈ আৰু ৩৫ বছৰ ঊৰ্ধৰ প্ৰতিযোগীৰ মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অংশগ্ৰহণকাৰী অনুষ্ঠানসমূহক সুকলমে যোগ দিৱস পালন কৰিবলৈ অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে সকলোকে আহ্বান জনাইছে।

০০০০০০

দৈনন্দিন জীৱনশৈলী সুস্থ আৰু সুন্দৰ কৰি তোলাৰ বাবে যোগাভ্যাসৰ গুৰুত্ব সমগ্ৰ বিশ্বৰ জনসাধাৰণে উপলব্ধি কৰিছে। ২০১৪ চনত ৰাষ্ট্ৰসংঘত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণত এই বিষয়ে উত্থাপন কৰাৰ পাছতেই ২০১৫ চনৰ ২১ জুনৰ পৰা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰস্তাৱ মৰ্মে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন আৰম্ভ কৰা হয়। বিশ্বৰ বিভিন্ন দেশে যোগৰ উপকাৰিতাক মান্যতা দিয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় স্তৰত যোগৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত মহাপুৰুষ যোগ বিশেষজ্ঞ হিমাদ্ৰী নাথ কটকীয়ে এইদৰে কয়-

***-ভইচ কাষ্ট-***

০০০০০০

উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে চলিত বৰ্ষৰ ৩০ ছেপ্তেম্বৰলৈ নামভৰ্তি বাতিল হোৱা শিক্ষাৰ্থীসকলৰ ধন সম্পূৰ্ণকৈ প্ৰত্যাৰ্পণ কৰিব লাগিব। বিশ্ববিদ্যালয় অনুদান আয়োগে ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ নতুন মাচুল প্ৰত্যাৰ্পণ নীতিত এই বিষয়ে ঘোষণা কৰিছে। উল্লেখযোগ্য যে, শিক্ষাৰ্থী আৰু অভিভাৱকসকলে নামভৰ্তি প্ৰত্যাহ্বাৰ অথবা বাতিল হোৱাৰ পাছত মাচুল ওভতাই নোপোৱা সন্দৰ্ভত অভিযোগ উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্যিক আইনৰ অধীনৰ সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান, বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠান, ডীমদ বিশ্ববিদ্যালয় তথা নামভৰ্তিৰ পৰামৰ্শ প্ৰদান কৰাৰ সৈতে জড়িত সংস্থাসমূহৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য হ'ব। উচ্চ শিক্ষা নিয়ন্ত্ৰক সংস্থাটোৱে প্ৰকাশ কৰিছে যে চলিত বৰ্ষৰ ৩০ ছেপ্তেম্বৰৰ পাছৰ পৰা ৩১ অক্টোবৰলৈ সৰ্বাধিক এহেজাৰ টকা প্ৰক্ৰিয়াকৰণ মাচুল হিচাপে কৰ্তন কৰাৰ পাছত বাকী ৰোৱা ধনখিনি ওভতাই দিব লাগিব।

০০০০০০

০০০০০০

গুৱাহাটী মহানগৰীক স্বচ্ছ আৰু আৱৰ্জনামুক্ত কৰি ৰখাৰ লক্ষ্যৰে গুৱাহাটী পৌৰ নিগমে ৫ দশমিক ৮-৭ কোটি টকা ব্যয়ৰে অত্যাধুনিক ৰোড ছুইপিং মেচিন ক্ৰয় কৰিছে। লগতে আৱৰ্জনা সংগ্ৰহৰ বাবে ৬ দশমিক ৬-৯ কোটি টকা ব্যয়ৰে ৬০খন ই-বাহন ক্ৰয় কৰিছে। কালি গুৱাহাটীৰ বশিষ্ঠৰ যানশালাৰ কাৰ্যালয়ত মেয়ৰ মৃগেন শৰণীয়াই আনুষ্ঠানিকভাৱে পথ পৰিস্কাৰ কৰা মেচিন আৰু ই-বাহন মুকলি কৰে। মেয়ৰ মৃগেন শৰণীয়াই বাহনকেইখন মুকলি কৰি গুৱাহাটী মহানগৰীক পৰিস্কাৰ-আৱৰ্জনামুক্ত কৰি ৰখাৰ ক্ষেত্ৰত এই অত্যাধুনিক পথ পৰিস্কাৰ কৰা মেচিনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ যুটীয়া আয়ুক্ত, বিষয়া-কৰ্মচাৰীসকলৰ লগতে পাৰিষদ সকলো উপস্থিত থাকে।

০০০০০০

অম্বুবাচী মেলা উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হৈছে বুলি আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে কালি সংবাদ মাধ্যমক এই কথা সদৰি কৰিছে। এইবেলি মেলাত অংশ লোৱা ভক্তসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰাৰ কথাও তেওঁ প্ৰকাশ কৰে। গুৱাহাটী আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত কালি চুৰি মোবাইল ফোন প্ৰসংগক লৈ আয়োজন কৰা এক আলোচনাত তেওঁ কয় যে, বিগত ১০ দিন ধৰি মহানগৰীত অভিযান চলোৱাৰ পিছতে মুকলি অপৰাধ পূৰ্বৰ তুলনাত হ্ৰাস পাইছে। নিৰ্বাচনৰ পাছত মুকলি অপৰাধৰ বিৰুদ্ধে গুৱাহাটীৰ লগতে বিভিন্ন চহৰত বিশেষ অভিযান চলোৱাৰ বাবে সিদ্ধান্ত লোৱা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০

মঙলদৈ জিলা পুথিভঁৰালত সমাগত ৰাভা দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বিষ্ণু ৰাভাৰ আভা শীৰ্ষক এখন নাট মঞ্চস্থ কৰা হ'ব। ৰাজ্যৰ আগশাৰীৰ নাট্যগোষ্ঠী জেঙৰাই অসমে নিবেদন কৰা বিষ্ণু ৰাভাৰ জীৱনৰ বৰ্ণিল পৰিক্ৰমাক সামৰি ৰচিত ৬৫ মিনিট দৈৰ্ঘ্যৰ নাটখনি ১৯ জুনৰ সন্ধিয়া মঞ্চস্থ কৰা হ'ব। উল্লেখযোগ্য যে, আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ উদ্যোগত অহা ১৯ আৰু ২০ জুনত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বিষ্ণুৰাভা দিৱসৰ আয়োজন কৰা হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি বিষ্ণু ৰাভা সংগীতৰ মুকলি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০

ভাৰত আজি ফ্লৰিডাত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে, আয়াৰলেণ্ডৰ বিৰুদ্ধে লৌডেৰহিলত হ'বলগীয়া খেলখন নেৰা নেপেৰা বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰাত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰে। আমেৰিকাই এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰিছে। ভাৰতৰ পাছত আমেৰিকা ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰা গ্ৰুপ-এৰ দ্বিতীয়টো দল ৰূপে পৰিগণিত হৈছে। ইফাল, পূৰ্বৰ চেম্পিয়ন পাকিস্তান আৰু আয়াৰলেণ্ড প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০০

অসমৰ নিশামণি বৰাই চেন্নাইত আয়োজিত সৰ্বভাৰতীয় উইণ্ড ছাৰ্ফিং চেম্পিয়নশ্বিপত সোণৰ পদক অৰ্জন কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে তেওঁলৈ অভিনন্দন জ্ঞাপন কৰি কয় যে, মহিলাসকলে সম্প্ৰতি বহু বাধা অতিক্ৰমী প্ৰায় সকলো ক্ষেত্ৰতে উচ্চ স্থান লাভ কৰিছে। নিশামণি বৰাৰ সফলতা ৰাজ্য গৌৰান্বিত বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০০

ভাৰতৰ সুমিত নাগল ইটালীত অনুষ্ঠিত এ টি পি ছেলেঞ্জাৰ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। সুমিতে কালি কোৱাৰ্টাৰ ফাইনেলত পোলেণ্ডৰ মেক্স কাছনিকোৰ্ষ্কিক ৬-৪, ৭-৫ পোনপটীয়া ছেটত পৰাস্ত কৰে। সুমিত আজি ছেমি ফাইনেলত স্পেইনৰ বৰ্নাবে জপাতা মিৰালেজৰ সন্মুখীন হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। নীতি আয়োগৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি **দৈনিক অসম** কাকতে দেশৰ স্বাস্থ্য খণ্ডত চৰকাৰৰ ব্যয় সংকোচনৰ বিষয়ে উনুকিয়াই **চিকিৎসাত বছৰি সৰ্বস্বান্ত লোক** শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে। দেশৰ চিকিৎসা ব্যৱস্থা ব্যয়বহুল হৈ পৰা বুলি উল্লেখ কৰা বাতৰিটোত জনসাধাৰণে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসা কৰি অসুবিধাৰ সন্মুখীন হোৱা বুলি উল্লেখ কৰা হৈছে। **অসমীয়া প্ৰতিদিন** কাকতত **ৰাজ্যৰ আই টি আই সমূহত চৰম অচলাৱস্থা** শিৰোনামৰ বাতৰিক মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। বাতৰিটোত ৰাজ্যৰ কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠাসমূহে যন্ত্ৰপাতি বিকল, পৰ্যাপ্ত শিক্ষকৰ অভাৱকে ধৰি বিভিন্ন সমস্যাৰ মুখামুখি হৈ থকা বুলি প্ৰকাশ কৰা হৈছে। **অসমীয়া খবৰ** কাকতত একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণৰ পাছত নৰেন্দ্ৰ মোদী প্ৰথমবাৰৰ বাবে বিদেশ ভ্ৰমণলৈ যোৱা বাতৰিটোক **৬৬বাৰ বিদেশ ভ্ৰমণ প্ৰধানমন্ত্ৰী মোদীৰ** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰা হৈছে। **দৈনিক অগ্ৰদূতত** লোকসভা নিৰ্বাচনৰ ফলাফলক লৈ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰতিক্ৰিয়া সন্দৰ্ভত প্ৰকাশিত এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। **আমাৰ অসম** কাকতত এই বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিয়া হোৱাৰ লগতে দেশত মুদ্ৰাস্ফীতি বৃদ্ধি পোৱা বুলি এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। **নিয়মীয়া বাৰ্তা** কাকতত নামৰূপত মুখ্যমন্ত্ৰীয়ে ২৫ মেগাৱাট সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে। একেটা বাতৰিক **দৈনিক জনমভূমি, দৈনিক অসম, দৈনিক অগ্ৰদূত, অসমীয়া প্ৰতিদিন**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতত কেন্দ্ৰীয় পৰিসংখ্যা কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ প্ৰতিবেদনৰ বিষয়ে উনুকিয়াই **অসমত ৬৩ অভিলাসী প্ৰকল্পৰ ২৯ টাই অসম্পূৰ্ণ** শিৰোনামেৰে এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। **দৈনিক জনমভূমি** কাকতত **নীটত কোটি কোটি টকাৰ লেনদেন** শিৰোনামেৰে এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। **দি আছাম ত্ৰিবিউন** কাকতত প্ৰধানমন্ত্ৰীৰ জি-চেভেন সন্মিলনত অংশগ্ৰহণৰ বাতৰিটোক মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। **দ্যা চেণ্টিনেল** কাকতত কৰফাঁকি দিয়াসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰাৰ এটা বাতৰিক মুখ্য স্থান দিয়া হৈছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ফণীভূষণ চৌধুৰী, পৰিমল শুক্লবৈদ্যৰ অসম বিধানসভাৰপৰা বিদায়, ৩ আৰক্ষীলৈ মৰণোত্তৰভাৱে স্বৰ্ণ পদক, মুম্বাইল চলচ্চিত্ৰ মহোৎসৱলৈ কাণখোৱা, সোণাপুৰ টোলগেটত কুকী উগ্ৰপন্থী গ্ৰেপ্তাৰ, নাহৰকটীয়াত কলেৰাৰ প্ৰাদুৰ্ভাৱ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত